# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 21-04-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ ল'ব। জিলাখনৰ চিলাপথাৰৰ অকাজান হাইস্কুল খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব। উল্লেখযোগ্য যে, জিলাখনৰ ১২খন জিলা পৰিষদ, ৫ খন আঞ্চলিক পৰিষদ আৰু ৬৫ খন গাঁও পঞ্চায়তৰ বাবে অহা ২ মে'ত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইতিপূৰ্বে জিলাখনত দলীয় প্ৰাৰ্থীৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু পীযুষ হাজৰিকাৰ লগতে সাংসদ প্ৰদান বৰুৱাইও প্ৰচাৰ অভিযান চলাইছিল। শ্ৰীভূমি জিলাতো পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। বিজেপি মিত্ৰজোঁটৰ উপৰি বিৰোধী কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে। কালি জিলাখনৰ টেলীখালৰ পাৰ খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ভাষণ দিয়ে। পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে ভাল ফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

ৰাষ্ট্ৰীয় পঞ্চায়ত পুৰস্কাৰ ২০২৫ৰ **পঞ্চায়ত ক্ষমতা নিৰ্মাণ সৰ্বোত্তম সংস্থা পুৰস্কাৰ** শিতানত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, অসমে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। পঞ্চায়তৰ সামৰ্থ বৃদ্ধিৰ বাবে প্ৰতিষ্ঠানটোৱে এই সৰ্বভাৰতীয় পুৰস্কাৰ লাভ কৰিছে। ১৯৮৭ চনত প্ৰতিষ্ঠা হোৱা এই প্ৰতিষ্ঠানটোৱে প্ৰশিক্ষণ, উদ্ভাৱনী কৌশল অৱলম্বনেৰে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ পঞ্চায়তীৰাজ ব্যৱস্থা শক্তিশালীকৰণৰ দিশত বিভিন্ন ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰতিষ্ঠানটোৱে সৰ্বমুঠ ১২ হাজাৰ ৮১৭টা প্ৰশিক্ষণ কাৰ্যসূচীৰে এতিয়ালৈকে ৩ লাখ ৫৭ হাজাৰ ৯৯৮ গৰাকী প্ৰশিক্ষাৰ্থীক বিভিন্ন ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদান কৰিছে। ইয়াৰোপৰি ৰূপান্তৰ প্ৰকল্পৰ জৰিয়তে উদ্যমিতাৰ প্ৰশিক্ষণ, ডিজিটেল তথা কম্পিউটাৰ সাক্ষৰতা আদিৰ দৰে বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে গ্ৰাম্য ৰূপান্তৰৰ দিশত বিশেষ অৰিহণা আগবঢ়াই আহিছে। অহা ২৪ এপ্ৰিলত হ'বলগীয়া ৰাষ্ট্ৰীয় পঞ্চায়তীৰাজ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিষ্ঠানটোলৈ এই পুৰস্কাৰ আগবঢ়াব। এই শিতানত কেৰেলাৰ স্থানীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানে প্ৰথম আৰু ওড়িশাৰ ৰাজ্যিক গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ প্ৰতিষ্ঠানে দ্বিতীয় পুৰস্কাৰৰ বাবে নিৰ্বাচিত হৈছে। অসমৰ হৈ এই পুৰস্কাৰ ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ বিশেষ সচিব মুনীন্দ্ৰ নাথ শৰ্মাই গ্ৰহণ কৰিব।

ooooo

আজি সতী সাধনী স্মৃতি দিৱস। সাহস, ধৈৰ্য, বীৰত্ব আৰু দেশ তথা জাতিৰ বাবে চৰম বলিদান দিয়া বীৰাংগনা সতী সাধনী চুতীয়া ৰাজ্যৰ শেষ ৰাণী আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সতী সাধনী দিৱসৰ এই পৱিত্ৰ দিনটোত মহিয়সী বীৰাংগনাগৰাকীৰ গভীৰ দেশপ্ৰেম আৰু আত্মবলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ মৰাণৰ গজপুৰীয়াত আজি বীৰংগনা সতী সাধনী ৫০১ সংখ্যক স্মৃতি দিৱসৰ আয়োজন কৰা হৈছে। গজপুৰীয়া বিহুতলী প্ৰেক্ষাগৃহত ডিব্ৰুগড় প্ৰশাসন, সদৌ চুতীয়া জাতি সন্মিলন অসম, চুতীয়া জাতি মহিলা সন্মিলন, চুতীয়া জাতি যুৱ সন্মিলন, চুতীয়া ছাত্ৰ সন্থাৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পুৱা পতাকা উত্তোলেনেৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানটোত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পাছতে হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী বিমল বৰা, অতুল বৰা আদিৰ লগতে আন কেইবাজনো মন্ত্ৰী-বিধায়কে অংশগ্ৰহণ কৰাৰ কথা। সন্ধিয়ালৈ **সৌমাৰৰত্ন সাধনী** নামৰ এখন নাট প্ৰদৰ্শন কৰা হ'ব। নাটখন মন্ত্ৰী যোগেন মহনে উদ্বোধন কৰিব বুলি উদ্যোক্তাসকলে সংবাদমেলযোগে জানিবলৈ দিছে।

ooooo

ডিব্ৰুগড় জিলাৰ ৭টা কেন্দ্ৰত ৪ মে'ত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ কালি জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ, বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাৰ লগতে অন্যান্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

ooooo

ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত কালি পৰিষদে অনুমোদন জনায়। পৰিষদৰ বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে দাখিল কৰা চলিত বিত্তীয় বৰ্ষৰ বাজেট সন্দৰ্ভত সদনত অনুষ্ঠিত দীঘলীয়া আলোচনাৰ পাছত বাজেটখন গৃহীত হয়। ইয়াৰ আগেয়ে পৰিষদৰ অধ্যক্ষ মোহিত হোজাইৰ অধ্যক্ষতাত বিত্ত বিভাগৰ কাৰ্যবাহী সদস্য ধনপেইনন থাউছেনে এহেজাৰ ২ কোটি ১১ লাখ ১৪ হাজাৰ টকাৰ বাজেট সদনত দাখিল কৰে। বাজেট অধিবেশনত ৩০জনীয়া পৰিষদৰ ২৮জন সদস্য উপস্থিত থাকে। কালি সদনত কাৰ্যবাহী সদস্য নিৰঞ্জন হোজাই আৰু সদস্যা নমৰাথাং মাৰে বাজেট সন্দৰ্ভত বিভিন্ন প্ৰশ্ন উত্থাপন কৰে। নিৰঞ্জন হোজাইয়ে বাজেটৰ ক্ষেত্ৰত স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। একেদৰে নমৰাথাং মাৰেই পৰিষদৰ মুৰববী দেব'লাল গাৰ্লোছাৰ বিৰুদ্ধে কেইবাটাও অভিযোগ উত্থাপন কৰে আৰু সমাধানৰ দাবী জনায়। অধিবেশনৰ অন্তত মুখ্য কাৰ্যবাহী সদস্য দেব'লাল গাৰ্লোছাই সংবাদ মাধ্যমৰ আগত পাহাৰীয়া জিলাসমূহৰ উন্নয়নৰ বাবে এইবাৰৰ বাজেটখন অতি গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। এইবাৰৰ বাজেটত পাহাৰীয়া জিলাখনৰ যোগাযোগ ব্যৱস্থা, স্বাস্থ্য, পৰ্যটন আৰু কৃষি খণ্ডত অধিক গুৰুত্ব দিয়া হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

ooooo

*সমাপ্ত*